ৰপ্তানি কৰে।

(৪) শৃংগাৰৰ মতে কাৰিকৰী কৌশল উন্নত দেশৰ একচেতিয়া উপাদান। কিন্তু বৰ্তমানত দেখা যায় যে উন্নয়নশীল অৰ্থনীতি সমূহেও উৎপাদন কাৰ্য্যত কাৰিকৰী কৌশল ব্যৱহাৰ কৰে।

(৫) শৃংগাৰৰ ব্যাখ্যাই দ্ৰব্যৰ বাণিজ্যিক হাৰক হে ব্যাখ্যা কৰে। কিন্তু অন্যান্য বাণিজ্যিক হাৰ সমূহক ব্যাখ্যা কৰিব নোৱাৰে। বৰ্তমান সময়ত ব্যৱহাৰ হোৱা এটা গুৰুত্বপূৰ্ণ বাণিজ্য হাৰ হ'ল আয় বাণিজ্য হাৰ (Income terms of trade) যিটো দিশ উক্ত আলোচনাত দেখা পোৱা নেযায়।

(৬) দুখন দেশৰ মাজত দ্ৰব্য বাণিজ্য হাৰ অধ্যয়ন কৰিবলৈ বহুতো তথ্য জনা দৰকাৰ হয়। ক্ষুদ্ৰ দেশৰ ক্ষেত্ৰত এনে তথ্য সংগ্ৰহ কৰিব পৰা যায় যদিও বৃহৎ আকাৰৰ দেশবোৰত এনে তথ্য সংগ্ৰহ কৰাত অসুবিধা হয় বাবে শুদ্ধ বাণিজ্যিক হাৰ গণনা কৰিব পৰা নেযায়।

(৭) 1930 চনত বিশ্বব্যাপ্তি দেখা দিয়া মণ্ডা অৱস্থাৰ সময়ত বিশ্বৰ বহুত উন্নত দেশৰ আৰ্থিক গাঁথনি ভাঙি পৰিছিল। গতিকে এনে অৱস্থাৰ সঠিক ব্যাখ্যা এই মতবাদে আগবঢ়াব নোৱাৰে।

অৱশ্যে উন্নয়নশীল দেশবোৰে কি কাৰণেনো সফলভাৱে উন্নত দেশলৈ পৰ্য্যবেশিত হ'ব পৰা নাই তাৰ এটা দিশ ব্যাখ্যা কৰা প্ৰেৰিছ-শৃংগাৰৰ মতবাদটোক সফল বুলিব পাৰি।

**2.7. গাৰ্ণাৰ মিৰ্ডলৰ পশ্চাৎমুখী পৰিণাম তত্ব** (Myrdal Theory of Back-Wash Effect)ঃ সদাগৰী অৰ্থনীতিবিদ সকলৰ দিনৰ পৰা আৰম্ভ কৰি অৰ্থনীতিৰ পিতৃস্বৰূপ সংস্থাপিত অৰ্থনীতিবিদ আদাম স্মিথ, ডেভিদ ৰিকাৰ্ডো, আৰু তেওঁলোকৰ অনুগামীসকলৰ লগতে নৱসংস্থাপনবাদী আৰু আধুনীক অৰ্থনীতিসকলৰো একাংশই বিশ্বাস কৰিছিল যে আন্তৰ্জাতিক বাণিজ্য কোনো এখন অৰ্থনীতিৰ উন্নয়নৰ গতি ক্ষীপ্ৰভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰধান আহিলা। সংস্থাপিত অৰ্থনীতিবিদ সকল আছিল মুক্ত অৰ্থনীতি আৰু পূজিবাদী আৰ্থিক ব্যৱস্থাৰ ঘাই পৃষ্ঠপোষক। গতিকে এইসকল অৰ্থনীতিবিদে আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কে মাথোন যুক্তি প্ৰদৰ্শন কৰিয়েই ক্ষান্ত থকা নাছিল। ৰিকাৰ্ডোৱে এনে যুক্তিৰ আধাৰতে ব্যয়ৰ তুলনামূলক প্ৰাৰ্থক্য তত্বৰ দৰে এক গুৰুত্বপূৰ্ণ

আন্তৰ্জাতিক বাণিজ্য তত্ব আগবঢ়াইছিল। ৰিকাৰ্ডো আৰু তেওঁৰ অনুগামীসকলে বিশ্বাস কৰিছিল যে আন্তৰ্জাতিক বাণিজ্যই উপাদানৰ বিশেষীকৰণৰ যোগেদি নিম্নতম উৎপাদন ব্যয়ত দেশ সমূহক সামগ্ৰী উপভোগৰ সুবিধা প্ৰদান কৰে। ফলত দুয়োখন দেশৰ কল্যাণ বৃদ্ধি পায়। কিন্তু আধুনিক অৰ্থনীতিবিদ সকলে সংস্থাপন সকলৰ এই দাবী সমৰ্থন কৰা নাই। তেখেতসকলৰ মতে আন্তৰ্জাতিক বাণিজ্যই দুই প্ৰকাৰৰ পৰিণামৰ সূচনা কৰে। সেইয়া হ'ল সম্প্ৰসাৰিত পৰিণাম আৰু পশ্চাৎমুখী পৰিণাম আধুনিক অৰ্থনীতিবিদ সকলৰ মতে আন্তৰ্জাতিক বাণিজ্যই কেতিয়াও অৰ্থনৈতিক বৃদ্ধিত সহায় কৰিব নোৱাৰে, ইয়াৰ কাৰণ দুটা-

ক) আন্তৰ্জাতিক বাণিজ্যৰ উন্নয়ন প্ৰক্ৰিয়াত সৃষ্টি হোৱা পশ্চাৎমুখী পৰিণামতকৈ সম্প্ৰসাৰিত পৰিণাম কম হোৱা বাবে আন্তঃ আঞ্চলিক আৰু আন্তৰ্জাতিক বৈষম্যৰ সৃষ্টি হয়।

খ) দ্বিতীয়তে আন্তৰ্জাতিক বাণিজ্যই দীৰ্ঘকালত বৈদেশীক লেন-দেন পৰিশোধৰ সমতা অনুন্নত দেশৰ প্ৰতিকুলে যোৱাত সহায় কৰে।

অৰ্থনীতিবিদ গাৰ্ণাৰ মিডলে আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কে চলোৱা এক সমীক্ষাৰ অন্তত মত পোষণ কৰিছে যে পৰিবৰ্তিত সমাজ ব্যৱস্থাৰ লগত খাপ খাব পৰাকৈ সংস্থাপিত অৰ্থনীতিবিদ সকলে আন্তৰ্জাতিক বাণিজ্য তত্বৰ যোগেদি উন্নয়নৰ ব্যাখ্যা দাঙি ধৰিব পৰা নাই। ইয়াৰ কাৰণ আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি সংস্থাপিত অৰ্থনীতিসকলে যি উন্নয়ন কামনা কৰিছে সেই দিশত পশ্চাৎমুখী পৰিণামৰ দ্বাৰা উন্নত দেশসমূহ অধিক উন্নত আৰু অনুন্নত দেশসমূহ অধিক অনুন্নত হোৱাতহে সহায় কৰিছে। এই তত্বসমূহ গঠনৰ বাবে যিবোৰ চৰ্ত পূৰণ হোৱা প্ৰয়োজন, সেইবোৰ অনুন্নত অৰ্থনীতিৰ ক্ষেত্ৰত পূৰণ নহয়। সংস্থাপিত অৰ্থনীতিবিদ সকলে ভৱাৰ দৰে অনুন্নত অৰ্থনীতিত স্বয়ংক্ৰিয়ভাৱে স্থিৰ ভাৰসাম্য অৱস্থা ৰক্ষা হোৱাৰ কোনো অৱকাশ নেথাকে। পুনৰ তেখেত সকলৰ ব্যাখ্যাত অনা আৰ্থিক কাৰক সমূহৰ ওপৰত কোনো ব্যাখ্যা পোৱা নেযায়। সেয়েহে এনে তত্বৰ প্ৰয়োগে আন্তৰ্জাতিক বৈষম্যতা আৰু আন্ত আঞ্চলিক বৈষম্যতাৰ সৃষ্টি কৰে।

**2.7.1 মিৰ্ডলৰ তত্বটোৰ ব্যাখ্যা** (Explaination of the Myrdal's Theory)ঃ অধ্যাপক গাৰ্ণাৰ মিৰ্ডলে সংস্থাপিত অৰ্থনীতিবিদ সকলে।

... আন্তৰ্জাতিক বাণিজ্য তত্ত্বক আন্তৰ্জাতিক আৰু আন্তঃ আঞ্চলিক বৈষম্য সৃষ্টিৰ বাবে জগৰীয়া কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আঁচনিৰ পৰা আন্তৰ্জাতিক আৰু আন্তঃআঞ্চলিক বৈষম্যতা দূৰ কৰিব পৰাকৈ এক বিকল্প উন্নয়ন তত্ত্বৰ অৱতাৰণা কৰিছে। তেখেতৰ মতে অনুন্নত দেশৰ অৰ্থনৈতিক উন্নয়নৰ লগত খাপখোৱাকৈ এনেবোৰ দেশৰ বাবে পৃথক আন্তৰ্জাতিক বাণিজ্য তত্ত্বৰ প্ৰয়োজন। এই উদ্দেশ্য আগত ৰাখি তেখেতে সম্প্ৰসাৰিত পৰিণাম (Spread Effects) আৰু পশ্চাৎমূখী পৰিণাম (Back-Wash Effect) ধাৰণা দুটা ব্যাখ্যা কৰিছে। তলত তেখেতৰ এই দুই ধাৰণা আলোচনা কৰা হ'ল।

(a) **প্ৰশ্চাৎমুখী পৰিণাম** (Back-wash effects)ঃ মিৰ্ডলৰ মতে এটা অঞ্চল বা এখন দেশৰ অৰ্থনৈতিক উন্নয়নে অন্য এটা অঞ্চল বা অন্য এখন দেশৰ অৰ্থনৈতিক উন্নয়নত যদি বাধা প্ৰদান কৰে তেতিয়া তাক প্ৰশ্চাৎমুখী পৰিমাণ বুলি কোৱা হয়। প্ৰব্ৰজন, মূলধনৰ বহিৰ্প্ৰৱাহ, ডাম্পিং আদি হ'ল প্ৰশ্চাৎমুখী পৰিণামৰ উদাহৰণ। অনুন্নত দেশৰ ক্ষেত্ৰত আন্তৰ্জাতিক বাণিজ্যই সবল ৰূপত পশ্চাৎমুখী পৰিণাম আৰু দুৰ্বল ৰূপত সম্প্ৰসাৰিত পৰিণামৰ সূচনা কৰে।

(i) **আঞ্চলিক বৈষম্যতা** (Regional Disparity)ঃ মিৰ্ডলৰ মতে বাণিজ্যই এখন দেশৰ ভিতৰতে বিভিন্ন অঞ্চলৰ মাজত আঞ্চলিক বৈষম্যতাৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ কাৰণ বাণিজ্যই কোনো নিৰ্দ্দিষ্ট অঞ্চলত উন্নয়ন প্ৰক্ৰিয়া কেন্দ্ৰীভুত কৰি দেশৰ আন অঞ্চলসমূহক সেই সুবিধাৰ পৰা বঞ্চিত কৰে। পুঁজিপতি সকলৰ মূল লক্ষ্য হ'ল মুনাফা সৰ্বাধিক কৰা। এই উদ্দেশ্য আগত ৰাখি দেশখনৰ যিবোৰ এলেকাত প্ৰত্যাশিক মুনাফা সৰ্বাধিক হোৱাৰ সম্ভাৱনা অধিক তেনে এলেকাত পুঁজিপতিসকলে অৰ্থনৈতিক কাৰ্য্যকলাপ সমূহৰ সম্প্ৰসাৰণ ঘটায়। গতিকে এনেবিলাক এলেকাত অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰ হয়। অন্যহাতেদি যিবোৰ এলেকাত প্ৰত্যাশিত মুনাফা কম হোৱাৰ সম্ভাৱনা থাকে তেনেবোৰ এলেকাত পুঁজিপতিসকলে অৰ্থনৈতিক কাৰ্য্যকলাপ সমূহৰ সম্প্ৰসাৰণ নঘটায়। ফলত তেনে এলেকাত উন্নয়নৰ গতি অতিশয় কম হয়। গতিকে পুঁজিবাদী মুক্ত বজাৰ অৰ্থনীতিৰ অনুসৰণে আঞ্চলিক বৈষমতাৰ সৃষ্টি কৰে। অৰ্থনীতিবিদ মিৰ্ডলে মত পোষণ কৰে যে উন্নয়নশীল অৰ্থনীতিৰ বজাৰ ব্যৱস্থাক কোনো বাধা আৰোপ কৰাকৈ উদ্যোগিক উৎপাদন, বাণিজ্য, বেংক সেৱা, বীমা, সামগ্ৰীৰ ক্ৰয়-

বিক্রয় আদি মুক্তভাবে হ'বলৈ এৰি দিলে উৎপাদনৰ পৰিমাণ অত্যাধিক ভাৱে বৃদ্ধি পাব। বিজ্ঞান, কলা, সাহিত্য, শিক্ষা, সংস্কৃতি আদি সমূহ কিছুমান এলেকাত থুপ খাই পৰিব আৰু সমাজৰ বাকীসমূহ এলেকা সদায়েই পিচপৰি ৰ'ব। এনেদৰেই দেশত আঞ্চলিক বৈষম্যৰ সৃষ্টি হ'ব। আঞ্চলিক বৈষম্যতাই কিছুমান অঞ্চলক শোষণ কৰি কম সংখ্যক এলেকাৰ উন্নয়ন ঘটাই আৰু বাকী অঞ্চল সমূহ শোষিত হৈ পিছ পৰি ৰয়।

(ii) **প্ৰব্ৰজন, মূলধন প্ৰবাহ আৰু বাণিজ্যৰ পশ্চাৎমুখী পৰিণাম** (Back-wash Effects of Migration, Movement and trade) : কোনো এখন দেশত যেতিয়া আৰ্থিক দিশত আঞ্চলিক বৈষম্যৰ সৃষ্টি হয় তেতিয়া দেশখনত উন্নত অঞ্চল আৰু অনুন্নত অঞ্চল এই দুই ধৰণৰ অঞ্চলৰ সৃষ্টি হয়। উন্নত অঞ্চল এটাই অনুন্নত অঞ্চলৰ শিক্ষিত দক্ষতাসম্পন্ন, সমৰ্থবান ব্যক্তিসকলক আকৰ্ষণ কৰে। দক্ষ, পাৰদৰ্শী, কৰ্মক্ষম লোকসকলৰ বহিৰ্গমনে অনুন্নত অঞ্চলসমূহক অধিক অনুন্নত হোৱাত অৰিহণা যোগায়।

দ্বিতীয়তে মুক্ত বজাৰ ব্যৱস্থাৰ ফলস্বৰূপে অনুন্নত অঞ্চল সমূহৰ পৰা উন্নত অঞ্চল সমূহত মূলধনৰ প্ৰৱাহ ঘটে। ইয়াৰ কাৰণ উন্নত অঞ্চল সমূহত মূলধন বিনিয়োজনৰ প্ৰতিদান অধিক হোৱাৰ লগতে মূলধনে অধিক নিৰাপত্তা লাভ কৰে। ফলত অনুন্নত অঞ্চলৰ সঞ্চিত পুঁজি উন্নত অঞ্চললৈ সঞ্চালন হোৱাত দুই প্ৰকাৰ অঞ্চলৰ মাজত আৰ্থিক বৈষম্যতাই দেখা দিয়ে।

তৃতীয়তে অনুন্নত দেশবোৰত আৰ্থিক বৈষম্যতা সৃষ্টি হোৱাৰ অন্য এটা কাৰণ হ'ল বাণিজ্য. মুক্ত প্ৰতিযোগিতামুলক বজাৰ ব্যৱস্থা বিদ্যমান অৱস্থাত উন্নত অঞ্চল সমূহৰ লগত অনুন্নত অঞ্চল সমূহে ফেৰ মাৰিব নোৱাৰে। ইয়াৰ কাৰণ, প্ৰতিযোগিতা মূলক বজাৰ ব্যৱস্থাত উন্নত অঞ্চলে ব্যৱসায়ীক দিশত সদায়েই সফলতা আৰু অনুন্নত অঞ্চল সমূহে বিফলতাৰ সন্মুখীন হয়। অনুন্নত অঞ্চল সমূহত বিদ্যমান আওঁপুৰণী উৎপাদন ব্যৱস্থা, উৎপাদনী কৌশলৰ নৱ প্ৰযুক্তিৰ অভাৱ আৰু আন কিছুমান অনা আৰ্থিক কাৰকে উদ্যোগীকৰণৰ দিশত হতাশাৰ সৃষ্টি কৰে। গতিকে উৎপাদিকা শক্তিও নিম্ন হৈ থাকে। কিন্তু উদ্যোগ প্ৰধান অঞ্চল সমূহত শিক্ষা, স্বাস্থ্য, শক্তি, যাতায়ত, শ্ৰমিকৰ দক্ষতা, উৎপাদনীয় কৌশল সকলো দিশতে আগবঢ়া হোৱাত উৎপাদিকা শক্তিও বেছি হয়। মিৰ্ডলৰ মতে এনেবিলাক কাৰক মাথোন আঞ্চলিক বৈষম্যতাৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়।

উন্নত আৰু উন্নয়নশীল দেশৰ আৰ্থিক বৈষম্যতাৰ একেবোৰ কাৰকৰ বাবেই সম্ভৱ হয়। মাথোন বৈষম্যতা মাত্ৰাহে পৃথক হয়।

(b) **সম্প্ৰসাৰণমুখী পৰিণাম** (Spread Effect) ঃ অধ্যাপক গাৰ্ণাৰ মিৰ্ডলৰ মতে কেতিয়াবা কেতিয়াবা কোনো এটা অঞ্চলৰ বিকাশে আন আন অঞ্চলৰ বিকাশত অনুকুল প্ৰভাৱ পেলাব পাৰে। উদাহৰণ স্বৰূপে এটা অঞ্চলত উদ্যোগৰ সম্প্ৰসাৰণৰ লগে লগে অঞ্চলটোত ৰাষ্টা-পদূলি, ঘৰ-দুৱাৰ, শিক্ষানুষ্ঠান, চিকিৎসালয়, সামগ্ৰীৰ চাহিদা, বজাৰ ব্যৱস্থা, প্ৰযুক্তি বিদ্যা ইত্যাদি সকলো দিশতে উন্নয়ন সম্প্ৰসাৰণ ঘটে। ইয়াৰ ফলত দাতি কাষৰীয়া এলেকাবোৰতো ইয়াৰ প্ৰভাৱ পৰি সিবিলাকৰ উন্নয়ন আৰু বিকাশ ত্বৰান্বিত হ'ব। এনে হোৱাৰ ফলত দেশ এখনৰ অঞ্চলসমূহৰ মাজত থকা আৰ্থিক বৈষম্য হ্ৰাস পাব। মিৰ্ডলে বিশ্বাস কৰিছিল যে অনুন্নত দেশ সমূহত সম্প্ৰসাৰণমূখী পৰিণামতকৈ পশ্চাৎমুখী পৰিণাম আৰু আঞ্চলিক বৈষম্যতাক সমতালৈ আনিব নোৱাৰে। কিন্তু উন্নত দেশবোৰত সম্প্ৰসাৰণমুখী পৰিণাম পশ্চাৎমুখী পৰিণামতকৈ অধিক শক্তিশালী হোৱাত এনে দেশত আৰ্থিক বৈষম্য কম হয় আৰু সমতাপূৰ্ণ অৰ্থনৈতিক উন্নয়ন সম্ভৱ হয়।

2.7.2.**সম্প্ৰসাৰণমুখী বনাম পশ্চাৎমুখী পৰিণাম** (Spread Effect Vs Backwash Effect) ঃ অধ্যাপক মিৰ্ডলৰ মতে সম্প্ৰসাৰণমুখী আৰু পশ্চাৎমুখী পৰিণামৰ মাজত সমতা ৰক্ষা কৰিব পৰা নেযায়। ইয়াৰ প্ৰধান কাৰণ দুটা। সেইয়া হ'ল -

(১) দুখীয়া দেশসমূহত আঞ্চলিক বৈষম্যৰ পৰিমাণ ধনী দেশতকৈ বহুত বেছি।

(২) দুখীয়া দেশ সমূহত আঞ্চলিক বৈষম্য দিনক দিনে বৃদ্ধি পায় কিন্তু ধনী দেশত আঞ্চলিক বৈষম্য দিনক দিনে হ্ৰাস পায়।

মিৰ্ডলৰ মতে দুখীয়া দেশবোৰত সম্প্ৰসাৰণমুখী পৰিণাম পশ্চাৎমুখী পৰিণামতকৈ কম হয়। সম্প্ৰসাৰণমুখী পৰিণামে যাতায়ত, যোগাযোগ, শিক্ষা,